# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

১৯৭১ চনত ভাৰতীয় সেনাবাহিনীৰ সহযোগত পাকিস্তানৰ বিৰুদ্ধে চলোৱা মুক্তিযুদ্ধত বিজয় সাব্যস্ত কৰা আজিৰ দিনটোৰ স্মৃতিত ভাৰত আৰু বাংলাদেশৰ সেনাবাহিনীয়ে **বিজয় দিৱস** হিচাপে উদযাপন কৰিছে। বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি দেশখনৰ স্বাধীনতাৰ হকে যুঁজি প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকসকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই মহান সৈনিকসকলৰ আত্মবলিদান দেশৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা হৈছে বুলি উল্লেখ কৰে আৰু তেওঁলোকৰ মহান ত্যাগে পৰৱৰ্তী প্ৰজন্মক সদায়েই উৎসাহিত কৰি যাব বুলি মন্তব্য কৰে। অসমতো আজি বিজয় দিৱস উপলক্ষে সেনাবাহিনীয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। কোকৰাঝাৰত থকা সেনাবাহিনীৰ ইক' টাস্ক ফ'ৰ্চে আজি এই উপলক্ষে আজি মটৰচাইকেল সমদল উলিয়ায়। ১৯৭১ চনৰ যুদ্ধত আত্মবলিদান দিয়া ছহিদসকলৰ ত্যাগক সন্মান জনাই উলিওৱা এই সমদল পূব কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে মুকলি কৰে। সমদলত শতাধিক লোকে অংশগ্ৰহণ কৰে। চুবুৰীয়া ৰাজ্য নাগালেণ্ডতো আজি বিজয় দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অনুষ্ঠানত অংশ লৈ ৰাজ্যপাল লা গণেশনে প্ৰতিগৰাকী ব্যক্তিকে একতা, সাহস আৰু ত্যাগৰ প্ৰমূল্যৰে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়।

ooooo

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকৰ আমন্ত্ৰণমৰ্মে দেশখনৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনত অংশ ল'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি থিম্ফুত উপস্থিত হৈছে। থিম্ফুৰ বিমান বন্দৰত আজি মুখ্যমন্ত্ৰীগৰাকীক দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলে আদৰণি জনায়। তিনিদিনীয়া এই ভ্ৰমণকালত চুবুৰীয়া ৰাষ্ট্ৰখনৰ সৈতে অসম তথা ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকী আলোচনাত মিলিত হ'ব। এই ভ্ৰমণে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সৈতে অসমৰ বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰি তুলিব বুলি যাত্ৰাৰ পূৰ্বে সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

অসম চৰকাৰৰ বিকাশৰ ১২ দিন অনুষ্ঠানৰ অংশ হিচাপে আজি গোৱালপাৰাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ খেলপথাৰত দুদিনীয়াকৈ বঁটা বিতৰণ, আৰ্থিক অনুদান প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড০ বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটী, আনন্দৰাম বৰুৱা বঁটা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণৰ শুভাৰম্ভ কৰা হয়। কাইলৈ অসম ক্ষুদ্ৰ বিত্তিয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনি ২০২১ৰ তৃতীয় বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ৰ ঋণমুক্তি প্ৰমাণপত্ৰ, বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য, আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণ লগত

জড়িত মহিলাসকললৈ প্ৰাৰম্ভিক মূলধন প্ৰদান কৰা হ'ব। কাইলৈ হ'বলগীয়া কাৰ্যসূচীতো মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব।

একেদৰে মন্ত্ৰী কেশৱ মহন্তই দৰং জিলাত বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত বিভিন্ন আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকললৈ চাইকেল আৰু হিতাধিকাৰীসকললৈ আৰ্থিক অনুদানৰ চেক বিতৰণ কৰে।

মন্ত্ৰী ৰণোজ পেগুৰ উপস্থিতিত মাজুলী জিলাত ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটাৰ লগতে ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটাৰ আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক চাইকেল প্ৰদান কৰা হয়। মন্ত্ৰী ৰণোজ পেগুৱে ভাষণত অহা বৰ্ষৰ পৰা ৮০ শতাংশ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলেহে ড০ বাণীকান্ত কাকতি মেধা বঁটা লাভ কৰিব বুলি প্ৰকাশ কৰে। লগতে তেওঁ কয়, যে প্ৰতিখন হাইস্কুলত এজনকৈ বিশেষ গণিতৰ শিক্ষক নিযুক্তি দিয়া হ'ব। অহা বৰ্ষৰ পৰা প্ৰতিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ডিজিটেল ক্লাছৰুম স্থাপন কৰা হ'ব বুলিও তেওঁ কয়।

বিকাশৰ ১২ দিন শীৰ্ষক কাৰ্যসূচীৰ অধীনত মন্ত্ৰী যোগেন মহনে চৰাইদেউ জিলাৰ সোণাৰীত এহেজাৰ গৰাকীৰো অধিক মহিলাক আনুষ্ঠানিকভাৱে মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ পত্ৰ প্ৰদান কৰে। লগতে অনুষ্ঠানত বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ৰাজ সাহায্য বিতৰণ কৰা হয়।

মন্ত্ৰী বিমল বৰাই তিনিচুকীয়া জিলাত এই কাৰ্যসূচীৰ অধীনত হিতাধিকাৰীসকলক মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ পত্ৰ বিতৰণ কৰে। সভাত বিধায়ক তথা ৰাজ্যিক খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধ্যক্ষ সঞ্জয় কিষাণে জিলাখনত বেছিকৈ উৎপাদন হোৱা কাজি নেমুৰে খাদ্য প্ৰসংস্কৰণ উদ্যোগ গঢ়ি তুলিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত ২৫৩ গৰাকী ব্যক্তিলৈ ৰাজ সাহায্য প্ৰদান কৰা হয়। লগতে দুৰ্যোগত ক্ষতিগ্ৰস্ত প্ৰায় ২০০টা পৰিয়ালক আৰ্থিক সাহায্য বিতৰণ কৰা হয়।

ooooo

২৬ দিনত ২ হাজাৰ ৩৪২ কিলোমিটাৰ চাইকেলেৰে অতিক্ৰম কৰা পৰিবেশকৰ্মী, সমৰ কলাবিদ নৱজ্যোতি শইকীয়াক অসম বুক অৱ ৰেকৰ্ডছে স্বীকৃতি প্ৰদান কৰিছে। শিৱসাগৰ জিলাৰ নৱজ্যোতি শইকীয়াই ২০২০ বৰ্ষত পৰিৱেশ সংৰক্ষণৰ সজাগতাৰ লগতে দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিয়া ছহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই ব্ৰহ্মপুত্ৰ পৰিক্ৰমা শীৰ্ষক চাইকেল যাত্ৰা কৰিছিল। এই সন্দৰ্ভত তেওঁ আকাশবাণী সংবাদাতাৰ আগত এনেদৰে কয়—

**(বাইট)**

ooooo

ৰাজ্য চৰকাৰে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতা আজিৰে পৰা শিৱসাগৰ নগৰৰ দৰবাৰ খেলপথাৰত অনুষ্ঠিত হৈছে। প্ৰবীন ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাই আনুষ্ঠানিকভাৱে এই প্ৰতিযোগিতা উদ্বোধন কৰে। শিৱসাগৰ বিধানসভা এলেকাৰ ২৭ খন গাঁও পঞ্চায়তৰ পৰা নিৰ্বাচিত তিনি হাজাৰ ৫০০ খেলুৱৈ এই বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। প্ৰতিযোগিতাখনত এথলেটিক্স, ফুটবল, কাবাদী, চাইক্লিং, ডবাকে ধৰি কেইবাটাও খেল অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত